জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮২৫/২০২০**

# তিতাবৰৰ ঠেঙ্গাল সাংস্কৃতিক কেন্দ্ৰ আৰু সংগ্ৰহালয়ৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসমীয়া জাতি বৰ্তমান চৰকাৰৰ দিনত সুৰক্ষিত ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিতাবৰৰ ঠেঙ্গাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত নিৰ্মাণ কৰি উলিওৱা ঠেঙ্গাল সাংস্কৃতিক কেন্দ্ৰ আৰু সংগ্ৰহালয়ৰ শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে স্বৰ্গীয় গিৰিধৰ ঠেঙ্গাল সোঁৱৰণী প্ৰেক্ষাগৃহও উদ্বোধন কৰে। এই অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী সদ্যপ্ৰয়াত তৰুণ গগৈ আৰু গিৰিধৰ ঠেঙ্গালৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

এই উপলক্ষে ধলি উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত এক ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে তিতাবৰৰ সুকীয়া ঐতিহ্য আৰু মৰ্যাদা আছে। এই ঐতিহ্য আৰু মৰ্যাদাক তিতাবৰবাসীয়ে ধৰি ৰাখিব লাগিব। ঠেঙ্গাল কছাৰী স্বায়ত্ত শাসিত পৰিষদে জনগোষ্ঠীটোৰ কৃষ্টি-সংস্কৃতি, পৰম্পৰা আৰু মূল্যবোধ অক্ষুণ্ণ ৰখাৰ বাবে কাম কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে তিতাবৰ অঞ্চলৰ কৃষি অৰ্থনীতি অতি শক্তিশালী। এই কৃষি অৰ্থনীতিৰ বিকাশ সাধনতো ঠেঙ্গাল কছাৰী স্বায়ত্ত শাসিত পৰিষদে গুৰুত্বপূৰ্ণ অৰিহণা যোগাই আহিছে। ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ এই উন্নয়নৰ যাত্ৰা অধিক ত্বৰান্বিত কৰিব লাগিলে নতুন প্ৰজন্মক উপযুক্ত শিক্ষাৰে আগুৱাই নিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ভাৰতীয় প্ৰশাসনিক সেৱাৰ দক্ষ বিষয়া প্ৰয়াত অশোক শইকীয়া তিতাবৰৰে এগৰাকী সুযোগ্য সন্তান আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এইগৰাকী প্ৰশাসনিক সেৱাৰ বিষয়াৰ আদৰ্শৰে নতুন প্ৰজন্ম আগুৱাই যাব লাগিব বুলিও কয়। ঠেঙ্গাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ দ্বাৰা স্থাপিত এই সাংস্কৃতিক কেন্দ্ৰ আৰু সংগ্ৰহালয় এই অঞ্চলৰ জনসাধাৰণৰ বাবেই নহয়, অসমৰ এক উল্লেখযোগ্য কেন্দ্ৰ হিচাপে বিবেচিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

অসমীয়া জাতি বৰ্তমানৰ চৰকাৰৰ দিনত সুৰক্ষিত বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বৰ চৰকাৰসমূহে কোনো দিনে হাতত নোলোৱা কাম-কাজকো এই চৰকাৰে সফল ৰূপ দিবলৈ সক্ষম হৈছে। কৃষ্টি, সংস্কৃতি, ঐতিহ্য জীয়াই থাকিবলৈ হ'লে মাটিৰ ওপৰত অধিকাৰ থাকিবই লাগিব। আমাৰ অসম, আমাৰ মাটি, আমাৰ অধিকাৰ সুৰক্ষিত কৰিব লাগিলে মাটিৰ অধিকাৰৰ লগতে নিজৰ ভাষা-সংস্কৃতিৰ অধিকাৰ লাভ কৰিব লাগিব। সেয়েহে বৰ্তমানৰ চৰকাৰে খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে মাটিৰ পট্টা প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সাৰ্বজনীন গণতান্ত্ৰিক নীতিৰ দ্বাৰা

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

চৰকাৰখনে সকলোৰে সম-উন্নয়ন সাধন কৰাৰ যাত্ৰাত অৱতীৰ্ণ হৈছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিখন আঁচনিৰ সুফল সকলোৱে লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰেও  প্ৰধানমন্ত্ৰীৰ আদৰ্শৰে সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ মান, সন্মান, স্বাভিমান সুৰক্ষিত কৰা, পৰাম্পৰাগত কৃষ্টি-সংস্কৃতি, মূল্যবোধ সংৰক্ষণ কৰা, সম-উন্নয়নৰ দিশত গুৰুত্ব প্ৰদান কৰি আহিছে আৰু ইয়াৰ সুফল প্ৰতিটো জনগোষ্ঠীয়ে লাভ কৰিবলৈ সমৰ্থ হৈছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে 'সহোদৰ' কাৰ্যসূচীৰ জৰিয়তে সকলো জাতি-জনগোষ্ঠীৰ সমস্যা অনুধাৱন কৰা, অসম দৰ্শন আঁচনিৰ জৰিয়তে সত্ৰ, নামঘৰ আদিৰ ঐতিহ্য সুৰক্ষিত কৰা, সমাজৰ দুখীয়া শ্ৰেণীৰ লোকসকলৰ সন্তানেও যাতে উপযুক্ত শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে লোৱা বিভিন্ন আঁচনিৰ কথাও  উল্লেখ কৰে। তিতাবৰত এখন ৰেচম মহাবিদ্যালয়, আই টি আই স্থাপন, জ্যেষ্ঠ নাগৰিকসকলৰ ভৱন নিৰ্মাণ, পুথিভঁৰাল স্থাপন সম্পৰ্কত ঠেঙ্গাল কছাৰী স্বায়ত্ত শাসিত পৰিষদে জনোৱা দাবী ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰা হ'ব বুলি  মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে।

ঠেঙ্গাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য কুমুদ কছাৰীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাইও ভাষণ দিয়ে। অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক মৃণাল শইকীয়া, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰী, দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী, মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দ্দন দেৱ গোস্বামী, যোৰহাট জিলাৰ উপায়ুক্ত প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান বিকাশ বঁটা প্ৰদান কৰে।

**পুঃডেঃ / বঃভাঃ**
**১১/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in